পাঠ ১২

ড়া, ক্স, ন্ত্ব, হ্ন, হ্ল

U2R7V3

# শিৱসাগৰ চাওঁ আহা

অনিল আৰু সান্ত্বনা মাক-দেউতাকৰ লগত শিৱসাগৰ চাবলৈ যাব। দুয়োৰে কিমান যে স্ফূৰ্তি! চাৰিদিনমানৰ আগৰে পৰাই দুয়ো নিজৰ বস্তু-বাহানি যোগাৰ কৰিলে।



নিৰ্দিষ্ট দিনত চৰকাৰী বাছেৰে শিৱসাগৰ অভিমুখে তেওঁলোকৰ যাত্ৰা আৰম্ভ হ'ল। ওৰে বাটটো তেওঁলোকে প্ৰাকৃতিক দৃশ্য উপভোগ কৰি গৈ থাকিল। সন্ধিয়াৰ আগে আগে তেওঁলোক শিৱসাগৰ পালেগৈ। মাহীয়েকৰ পুতেক দীপক আৰু জীয়েক জাহ্নৱী বাছ আস্থানত বৈ আছিল। অনিলহঁত আহি পোৱাৰ পিছত আটায়ে ৰিক্সাৰে ঘৰলৈ গ'ল।

পাছদিনা পুৱাই সান্ত্বনাহঁতে মহাকৰ সৈতে ঘৰৰ পৰা ওলাল। লগত একোখনকৈ টোকা বহী ল'লে। তেওঁলোকে শিৱসাগৰৰ পুৰণিকলীয়া কীৰ্তি চিহ্নবোৰ চাব। সেইবোৰৰ বিষয়ে টোকা বহীত লিখি ল'ব। কাৰণ এই বিষয়ে বিদ্যালয়ৰ শিক্ষকক ক'ব লাগিব। মহাকে তেওঁলোকক পুৰণি কীৰ্তি চিহ্ন থকা ঠাইবোৰলৈ লৈ গ'ল। বিশাল শিৱসাগৰ পুখুৰীটো দেখি দুয়ো আনন্দিত হ'ল। মহাকে ক'লে— 'এই পুখুৰীটো স্বৰ্গদেউ শিৱসিংহৰ দিনত খন্দোৱা হৈছিল।' তেওঁলোকে পুখুৰীটোৰ পাৰত থকা শিৱদ'ল, বিষ্ণুদ'ল আৰু দেৱীদ'ল চালে। তাৰ পাছত জয়সাগৰ পুখুৰী আৰু জয়দ'ল চাবলৈ গ'ল।



তেওঁলোকে তলাতল ঘৰ আৰু ৰংঘৰো তন্নতন্নকৈ চালে। তলাতল ঘৰৰ কাৰুকাৰ্য দেখি অনিলহঁত অভিভূত হ'ল। আহোম স্বৰ্গদেউসকলে ৰংঘৰত বহি পাৰিষদৰ স'তে খেল-ধেমালি উপভোগ কৰিছিল। আহোম ৰাজ পৰিয়ালৰ মৈদাম থকা চৰাইদেউলৈকো তেওঁলোক গ'ল। তাতে তেওঁলোকে মৈদাম চালে। মৈদাম হ'ল আহোম প্ৰথা মতে মৃতকক সমাধিস্থ কৰা ঠাই।

উভতি অহাৰ আগদিনা তেওঁলোকে আজান পীৰৰ দৰগাহ চালে। এই দৰগাহ দিখৌ নৈৰ দাঁতিৰ সৰাগুৰি চাপৰিত। সময় উলিয়াই কাৰেংঘৰো চালে। পুৰণিকলীয়া কীৰ্তিচিহ্নবোৰ চাই তেওঁলোকে মনত বৰ ৰং পালে। শিৱসাগৰত থকা দিনকেইটা কেনেকৈ পাৰ হ'ল তেওঁলোকে গমেই নাপালে। বাছেৰে উভতি আহি থাকোঁতে দীপক আৰু জাহ্নবীৰ কথা সান্ত্বনাহঁতৰ মনলৈ বাৰে বাৰে আহি থাকিল।

কাজিৰঙাত থকা এটা খড়্গাৰ গঁড় চাবলৈ অনিল আৰু সান্ত্বনাৰ বৰ হেঁপাহ আছিল। কিন্তু সময়ৰ নাটনিৰ বাবে চোৱা নহ'ল।

**জানো আহা**

- ৰাজ্যৰ পুৰণি কীৰ্তিচিহ্নসমূহ আমাৰ জাতীয় সম্পদ। এই সম্পদসমূহক আমি সংৰক্ষণ কৰি ৰাখিব লাগে। ইয়াৰ চৌপাশ পৰিষ্কাৰ-পৰিচ্ছন্ন কৰি ৰাখিব লাগে।
- ইয়াৰদেৱালত কোনোধৰণৰ বেয়া কথা লিখি সৌন্দৰ্য হানি কৰিব নালাগে। আমাৰ এই কীৰ্তিচিহ্নসমূহক লৈ আমি গৌৰৱ অনুভৱ কৰোঁ।



**ক্ৰিয়া-কলাপ**

**ক -পাঠভিত্তিক ক্ৰিয়া**



**উত্তৰ দিয়া।**

(১)



(ক) অনিল আৰু সান্ত্বনা মাক-দেউতাকৰ লগত ক'লৈ গৈছিল?

(খ) শিৱসাগৰ পুখুৰীটো কাৰ দিনত খন্দোৱা হৈছিল?

(গ) কি দেখি অনিলহঁত অভিভূত হ'ল?

(ঘ) আজান পীৰৰ দৰগাহ ক'ত আছে?

(ঙ) মৈদাম কি?

(চ) উভতি আহোঁতে তেওঁলোকে কি চাবলৈ মন কৰিছিল?

(২) (ক) অনিলহঁতক নিবলৈ বাছ আস্থানত কোন কোন ৰৈ আছিল?

(খ) অনিলহঁতে লগত টোকা বহী নিয়াৰ কাৰণ কি?

(গ) শিৱসাগৰত থকা কীৰ্তিচিহ্নসমূহ কি কি?

**চৰাইটোৱে শব্দটো আঁচেৰে অৰ্থৰ কাষলৈ নিছে। তোমালোকেও তেনেদৰে নিয়া।**

| শব্দ | অৰ্থ |
|---|---|
| স্ফূৰ্তি | কোনো লোকৰ নাম বা কোনো কাৰ্যৰ কথা চিৰকাললৈ উজ্জ্বলাই ৰাখিবলৈ নিৰ্মিত চিহ্ন |
| বাছ আস্থান | বিহ্বল, তত হেৰোৱা |
| কীৰ্তিচিহ্ন | মৃতকক সমাধিস্থ কৰা ঠাই |
| তন্ন তন্ন | বাছ ৰখোৱা ঠাই |
| অভিভূত | সূক্ষ্মভাবে বিচাৰ কৰা, চালিজাৰি চোৱা |
| মৈদাম | আনন্দ |

## খ — ভাষা অধ্যয়ন (ব্যাৱহাৰিক ব্যাকৰণ)

**যুক্তাক্ষৰ ভাঙি পঢ়োঁ আৰু লিখোঁ আহা**

| | | | |
|---|---|---|---|
| **খড়্গ** | **ড়্গ** | **ড় + গ** | **ড়ই গই ড়্গ** |
| **নক্সা** | **ক্স** | **ক + স** | **কই সই ক্স** |
| **সান্ত্বনা** | **ন্ত্ব** | **ন + ত + ব** | **নই তই ন্ত তাত ব-কাৰে ন্ত্ব** |
| **চিহ্ন** | **হ্ন** | **হ + ন** | **হই নই হ্ন** |
| **প্ৰাহ্ণ** | **হ্ণ** | **হ + ণ** | **হই ণই হ্ণ** |

হ-ৰ লগত 'ন' যোগ হ'লে তাৰ ৰূপটো হ্ন হয়। কিন্তু হ-ৰ লগত 'ণ' যোগ হ'লে তাৰ ৰূপটো হ্ণ হয়। যেনে ঃ অপৰাহ্ণ হ + ণ হই ণই হ্ণ

### যুক্তাক্ষৰ গঠন কৰোঁ আহা

ঙ + গ   ঙই   গই   ঙ্গ

হ + ন   হই   নই   হ্ন

ক + স   কই   সই   ক্স

হ + ণ   হই   ণই   হ্ণ

ন + ত + ৰ   নই   তই   ন্ত   তাত ৰ কাৰে ন্ত্ৰ

### উদাহৰণত দেখুওৱাৰ দৰে তলৰ বাক্যবোৰ 'ৰ', 'ৰে', 'পৰা', 'ত'-ৰে পূৰ কৰা।

উদাহৰণ— সান্ত্বনা অনিল_ ভনীয়েক।   সান্ত্বনা অনিলৰ ভনীয়েক।

(ক) অনিলহঁত বাছে __ শিৱসাগৰলৈ গৈছিল।


(খ) সিহঁত শিৱসাগৰৰ____ আজি আহি পালেহি।

(গ) শিৱসাগৰ__ ৰংঘৰ আছে।

## গ — জ্ঞান সম্প্ৰসাৰণ

### কবিতা কেইফাকি পঢ়া। যুক্তাক্ষৰ থকা শব্দকেইটাৰ যুক্তাক্ষৰটো উদাহৰণত দেখুওৱাৰ দৰে ভাঙি লিখা।

ৰিক্সাত উঠি সান্ত্বনা
কাজিৰঙালৈ যায়,
এশিঙীয়া গঁড়ৰ খড়্গ দেখি
ডিঙি মেলি চায়।



| | | |
|---|---|---|
| ৰিক্সা | ক্স | ক + স |
| | | |
| | | |

☛ নিৰীক্ষণৰ পাছত শিক্ষক/শিক্ষয়িত্ৰীৰ চহী





আহ্নিক গতিৰ ফলত
হয় দিন-ৰাতি
অপৰাহ্ণই পাছবেলা
বেলি দিয়ে ভাটী।

উত্তৰ দিয়া।

ক) সান্ত্বনাহঁত কাজিৰঙালৈ কিহেৰে গৈছিল?

খ) এশিঙীয়া গঁড় ক'ত পোৱা যায়?

গ) সান্ত্বনাই ডিঙি মেলি কি চাইছিল?


ঘ) দিন-ৰাতি কিহৰ ফলত হয়?

ঙ) পাছবেলাক কি বুলি কয়?

দলত আলোচনা কৰি লিখা।


তোমালোকে ওচৰ-চুবুৰীয়া গাঁও বা নগৰলৈ নিশ্চয় গৈছা। তালৈ কেনেকৈ গ'লা, কি দেখিলা আদি কথাবোৰ তোমাৰ বহীত লিখা।

তলৰ ছবি চাই কি দেখিছা দলত আলোচনা কৰি কোৱা আৰু লিখা।



ছবিকেইখন চোৱা। ঐতিহাসিক কীৰ্তিচিহ্ন কেইটা চিনাক্ত কৰি তলত নাম লিখা।



............................ ......................... ......................... ......................

## ঘ— প্ৰকল্প

(ক) শিক্ষকে ছাত্ৰ-ছাত্ৰীক পুথিভঁৰালৰ পৰা পুথি নি ঘৰত পঢ়িবলৈ দিব। পিছত তলত উল্লেখ কৰা তালিকাখন পূৰাই প্ৰাতঃসভাত পাঠ কৰিবলৈ দিব।

| কিতাপৰ নাম | লিখকৰ নাম | কাহিনী/গল্প/সাধু/ পদ্য/ভ্ৰমণ কাহিনী/ বুৰঞ্জীমূলক কাহিনী | ভাল পোৱাৰ কাৰণ |
|---|---|---|---|
| | | | |

*নিৰীক্ষণৰ পাছত শিক্ষক/শিক্ষয়িত্ৰীৰ চহী*

(খ) তোমালোকৰ অঞ্চলৰ ওচৰে-পাঁজৰে থকা পুৰণিকলীয়া মঠ-মন্দিৰ, পুখুৰী আদিৰ বিষয়ে আলোচনা কৰি লিখা। আৱশ্যকবোধে শিক্ষক আৰু অভিভাৱকৰ সহায় ল'বা।

..............................................................................................

..............................................................................................

..............................................................................................

..............................................................................................

..............................................................................................

জানি লওঁ আহা

- স্বৰ্গদেউ ৰুদ্ৰসিংহই তেওঁৰ মাতৃ জয়মতী কুঁৱৰীৰ স্মৃতিত জয়সাগৰ পুখুৰী খন্দাইছিল আৰু জয়দ'ল সজাইছিল।
- ৰংঘৰ, তলাতল ঘৰ, কাৰেং ঘৰ আৰু দ'লসমূহৰ দেৱালবোৰ হাঁহকণী, বৰা চাউল, ধূনা, চূণ, গুড় আদি মিহলাই প্ৰস্তুত কৰা আঠাৰে গাঁথিছিল।
- গৌৰী সাগৰৰ ওচৰত নামদাং নামে ঠাইত শিলৰ সাঁকো আছে।
- আহোম ৰজাৰ দিনত বৰটোপ, হাত-হিলৈ, সৰু-হিলৈ, হেংদাং, তৰোৱাল আদি অস্ত্ৰসমূহ যুঁজৰ আহিলাৰূপে ব্যৱহাৰ কৰিছিল।
- আজান পীৰে জিকিৰ আৰু জাৰী ৰচনা কৰিছিল।

☞ *নিৰীক্ষণৰ পাছত শিক্ষক/শিক্ষয়িত্ৰীৰ চহী*